সম্পাদকৰ সৈতে

## মুখামুখি





# প্ৰফুল্ল কুমাৰ মহন্তৰ সৈতে কথোপকথন

*১) খৰ্গেশ্বৰ তালুকদাৰৰ পিতৃৰ সন্মুখত ছাত্ৰ সন্থাৰ নেতৃত্বই শপত লৈছিল যে ১৯৫১ চনৰ বাহিৰে কোনো ভিত্তি বছৰ গ্ৰহণ কৰা নহ'ব। কিন্তু শেষলৈ ১৯৭১ চন মানি ল'লে। তাৰ কাৰণ অসম আন্দোলনে ৰাইজৰ মনত সৃষ্টি কৰা দীৰ্ঘদিনীয়া অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাৰ অৱসান ঘটোৱাটোৱেই আছিল নেকি?*

ঃ খৰ্গেশ্বৰ তালুকদাৰৰ মৃত্যুত ছাত্ৰ সন্থাৰ তেতিয়াৰ বিষয়ববীয়া বা দায়িত্বত থকা আমাৰ সকলো ব্যক্তিয়ে এই কথা অনুভৱ কৰিছিল যে আমি আন্দোলনৰ মূল লক্ষ্যত উপনীত হ'ব লাগিব। তেতিয়া ভিত্তি বছৰৰ প্ৰশ্নটো উঠা নাছিল আৰু আলোচনাৰ পৰ্যায়বিলাকত ভিত্তি বছৰ সম্পৰ্কত বিভিন্ন Proposal কেন্দ্ৰীয় চৰকাৰৰ মধ্যস্থতাকাৰীয়ে বিভিন্ন সময়ত উপস্থাপন কৰিছিল আৰু সেইবিলাক আচলতে সেই সময়ত গ্ৰহণযোগ্য নাছিল। ৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী হৈ তেওঁ এটা concrete proposal আন্দোলনকাৰীলৈ আগবঢ়াইছিল। পৰিস্থিতি আৰু সময়ৰ যুক্তি অনুধাৱন কৰি আন্দোলকাৰীয়ে অসম চুক্তিত স্বাক্ষৰ কৰিবলৈ সন্মত হৈছিল।

*২) অভিযোগ উঠে আন্দোলনৰ নেতৃত্বই শেষৰ ফাললৈ বিদেশী বিতাৰণতকৈ শইকীয়া চৰকাৰ অপসাৰণত অধিক গুৰুত্ব দিছিল। কথাটো সঁচা নেকি?*

ঃ সেইটো নহয়। চৰকাৰ কোনে কৰিছে, চৰকাৰত কোন আছে সেইটো বিবেচনা কৰা হোৱা নাছিল। ১৯৮৩ চনৰ যিটো নিৰ্বাচন, সেই নিৰ্বাচন ভোটাৰ তালিকা সংশোধন কৰি পাতিবলৈ কোৱা হৈছিল। আৰু তেতিয়া কেন্দ্ৰীয় চৰকাৰে আন্দোলনকাৰীৰ লগত বিশ্বাসঘাটকতা কৰিছিল। কাৰণ দিল্লীত সেই আলোচনাৰ ফলাফল ঘোষণা নকৰাকৈয়ে, আন্দোলনকাৰীৰ সৈতে আলোচনা আধৰুৱা ৰাখিয়েই আন্দোলনকাৰীক অসমলৈ ঘূৰাই পঠাই, একেদিনাই নিৰ্বাচন আয়োগৰ হতুৱাই অসমত নিৰ্বাচনৰ দিন ঘোষণা কৰাইছিল। আৰু যিহেতু ভোটাৰ তালিকাত সেই সময়ত অজস্ৰ বিদেশীৰ নাম আছিল, যিটো ইলেকচন কমিছনাৰে নিজেই স্বীকাৰ কৰিছিল, গতিকে আন্দোলনকাৰীয়ে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু সেয়া উপেক্ষা কৰি জোৰ-জবৰবৰদস্তি নিৰ্বাচন পতা হৈছিল, কেন্দ্ৰীয় নিৰাপত্তা বাহিনীয়ে ভোট দিয়াৰ অভিযোগো উঠিছিল। গোটেই চৰকাৰখন যিহেতু ৰাইজৰ বিৰুদ্ধে গৈ গঠন হৈছিল নতুনকৈ নিৰ্বাচন পতাৰ পৰামৰ্শ দি সেই চৰকাৰ ভংগ কৰাৰ দাবী আন্দোলনকাৰীয়ে উত্থাপন কৰিছিল, অসম চুক্তিত এইবোৰ কথা নাছিল। গতিকে কেৱল শইকীয়াই চৰকাৰ ভাঙিবলৈ অসম চুক্তি কৰা হোৱা নাছিল। আৰু শইকীয়াই আন্দোলনবিৰোধী স্থিতি লোৱাৰ বাবে অসমৰ ৰাইজৰ শইকীয়া চৰকাৰৰ প্ৰতি বিৰূপ প্ৰতিক্ৰিয়া হৈছিল। আনহাতে অসম চুক্তি হৈ যোৱাৰ পিছত পুনৰ কংগ্ৰেছ চৰকাৰে দিয়া IMDT আইনখন বাতিল কৰাৰ প্ৰতিশ্ৰুতি নাৰাখি বাহাল ৰখাৰ বাবে বহু সময়তেই কেন্দ্ৰৰ সৈতে আমাৰ সংঘাত হৈছিল।

*৩) অসম আন্দোলন যে এটা গণ আন্দোলন আছিল তাত সন্দেহ নাই। কিন্তু ইমান ডাঙৰ আন্দোলনৰ পিছত নিৰ্বাচনত অংশগ্ৰহণ কৰি আপোনালোক একক সংখ্যাগৰিষ্ঠতাও লাভ কৰিব পৰা নাছিল। তাৰ কাৰণ কি আছিল?*

ঃ আমি ৬৫ খন আসন লাভ কৰিছিলোঁ। বাকী কেইখন আসন নিৰ্দলীয় বা বিভিন্ন আঞ্চলিক দলৰ অংশগ্ৰহণত লাভ কৰি চৰকাৰ গঠন কৰিছিলোঁ। কিন্তু Voting Pattern টো সদায় বেলেগ। কাৰণ অসম আন্দোলন বিৰোধিতাও কৰিছিল এক সংখ্যক মানুহে। অসমৰ ত্ৰিছ-পঁয়ত্ৰিছটা Seat সংখ্যালঘু জনসাধাৰণে সম্পূৰ্ণভাৱে নিয়ন্ত্ৰণ কৰিছে। আৰু সেই seat বোৰ সাধাৰণতে খিলঞ্জীয়া জনসাধাৰণৰ হাতত নাছিল। যদিও সংখ্যালঘু মানুহ সকলোৱেই বিদেশী নহয়, আমাৰ অসম আন্দোলনতো এক সংখ্যক সংখ্যালঘু আমাৰ লগত আছিল, কিন্তু পিছত যিখিনি মানুহ অসমত সোমাল সেই মানুহখিনিৰ ভোটিং প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবেও আমি একক সংখ্যাগৰিষ্ঠতা নিজাববীয়াকৈ লাভ কৰিব পৰা নাছিলোঁ। আনহাতে অসম চুক্তি স্বাক্ষৰিত হোৱাৰপৰা নিৰ্বাচনলৈও বৰ কম সময় আছিল। এই দুটা আছিল ইয়াৰ মূল কাৰণ। ইয়াৰ পিছতো ১৯৯৬ চনত আমি যেতিয়া চৰকাৰ গঠন কৰোঁ, আমি বেলেগ বেলেগ ৰাজনৈতিক দলক লৈ চৰকাৰ গঠন কৰিব লগা হৈছিল। নিৰ্বাচনী প্ৰক্ৰিয়াটো এটা বেলেগ কথা আৰু আন্দোলনৰ প্ৰক্ৰিয়াটো এটা বেলেগ কথা।

*৪) আপোনালোকে আন্দোলনৰ আৰম্ভণিতে আলফাই আজি ব্যৱহাৰ কৰা বহিৰাগত শব্দটো ব্যৱহাৰ কৰিছিল। পিছলৈ এই শব্দটো বিদেশী কৰাৰ বিশেষ কিবা গণতান্ত্ৰিক বা সাংবিধানিক কাৰণ আছিল নেকি?*

ঃ শিৱসাগৰত সদৌ অসম ছাত্ৰ সন্থাৰ অধিৱেশনে ১৯৭৯ চনত যেতিয়া মোক আৰু ভৃগু ফুকনক সভাপতি আৰু সম্পাদক হিচাপে নিৰ্বাচিত কৰিছিল। তাত কেইবাটাও দাবী সন্নিবিষ্ট কৰা এখন দাবী-পত্ৰ গ্ৰহণ কৰা হৈছিল আৰু তাত বহিৰাগত শব্দটো আছিল। সেই সময়ত বহিৰাগত শব্দটোৱে ভাৰতবৰ্ষৰ বাহিৰৰপৰা অহা মানুহকহে বুজাইছিল। কিন্তু পিছত বহুত ৰাজনৈতিক দলে এই শব্দটোৰ অপব্যাখ্যা দিয়া কাৰণে বহিৰাগতৰ ঠাইত আমি অনুপ্ৰৱেশকাৰী শব্দটো গ্ৰহণ কৰিছিলোঁ। ৰাজনৈতিক দলবোৰে ব্যাখ্যা দিছিল যে বহিৰাগত মানে আমি ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰপৰা অহাসকলক বুজাইছোঁ। কিন্তু সেয়া সত্য নাছিল।

*৫) অসমীয়া জাতীয়তাবাদৰ আঁৰতেই অসমীয়া উগ্ৰ জাতীয়তাবাদৰ বীজ সোমাই আছে বুলি কোৱা হয়। অসম আন্দোলনৰ সময়ত বিভিন্ন কুটাঘাটমূলক ঘটনা ঘটিছিল যিবোৰ ছাত্ৰ সন্থাৰ সৈতে জড়িত লোক সংঘটিত কৰা বুলি অভিযোগ উঠে.... ?*

ঃ তেনেকুৱা ঘটনা ইয়াৰ আগতেও আছিল। লাচিত সেনাও আছিল এটা সময়ত। তেনেকুৱা চিন্তাধাৰা হয়তো কাৰোবাৰ থাকিব পাৰে। কিন্তু সদৌ অসম ছাত্ৰ সন্থাৰ সেই সময়ত তেনে চিন্তাধাৰা নাছিল। জাতীয়তাবাদৰ বোলোতে কিছু সংখ্যকৰ ধাৰণা উগ্ৰ-জাতীয়তাবাদৰ ওচৰ চপা হ'ব পাৰে। ই অস্বাভাৱিক নহয়। কিন্তু সংগঠন হিচাপে ছাত্ৰ সন্থাই সদায় জাতীয়তাবাদকহে গুৰুত্ব দি আহিছে। উগ্ৰ-জাতীয়তাবাদক আমি জন্ম দিয়া নাছিলোঁ, কিন্তু ছাত্ৰ সন্থাক বহুতে সেই সময়ত উগ্ৰ-জাতীয়তাবাদী সংগঠন বুলি প্ৰতিপন্ন কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। আনকি বহুতে সেই সময়ত দুটা ছাত্ৰ সন্থাও গঠন কৰিছিল। ১৯৭৯ চনত সমান্তৰালভাৱে আন এটা ছাত্ৰ সংগঠন অসমত আছিল। অমল শৰ্মা আৰু কেইজনমানে লগত লাগি কৰিছিল। আৰু পাটাছাৰকুছিত ইয়াৰ মুখ্য কাৰ্যালয় আছিল। পৰৱৰ্তী সময়ত আমি এই দুটা সংগঠন লগ লগাবলৈ চেষ্টা কৰিছিলোঁ, তেতিয়া পাটাছাৰকুছিত এখন সভাও অনুষ্ঠিত কৰা হৈছিল। সেই সভাতেই সেই অঞ্চলৰ সকলো ছাত্ৰ সন্থাৰ সভাপতিসকলে এই সিদ্ধান্ত ল'লে যে তেওঁলোক আমাৰ লগত থাকিব। আৰু তেতিয়াৰপৰা সমগ্ৰ অসমতে এটা ছাত্ৰ সন্থা হ'ল। কিছু সংখ্যকে জাতীয়তাবাদী সংগঠনসমূহত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈকে সদায় চেষ্টা কৰি থাকে।

*৬) কিন্তু নিৰ্বাচন প্ৰতিৰোধৰ বাবে যিখন গোপন চাৰ্কোলাৰ প্ৰকাশ পাইছিল সেইখন পঢ়িলে এই আন্দোলন অহিংস আছিল যেন নালাগে দেখোন.... ?*

ঃ সেইখন চাৰ্কোলাৰ ছাত্ৰ সন্থাৰ নাছিল আৰু সেই সময়ত আমি প্ৰায় সকলোৱেই কাৰাগাৰত আবদ্ধ আছিলোঁ। যি সকল দিল্লীত আলোচনা কৰিবলৈ গৈছিল; সেই সকলক বিমান বন্দৰতেই গ্ৰেপ্তাৰ কৰিছিল। আৰু তেতিয়া নেতৃত্ব স্বাভাৱিকভাৱেই বেলেগৰ হাতলৈ গুচি গৈছিল। মানুহে আৱেগিকভাৱে হয়তো কিছু কাম কৰিছিল....।

*৭) কিন্তু পুলিচে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰপৰাই সেই চাৰ্কোলাৰত কপি উদ্ধাৰ কৰিছিল....।*

ঃ পুলিচে মানে প্ৰশাসনে বহুত কথাই কৈছিল সেই সময়ত। আনহাতে ছাত্ৰাবাসতো বহুত ধৰণৰ ল'ৰা থাকিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ নিৰাপত্তা বাহিনী আৰু অসম চৰকাৰৰ নিৰাপত্তা বাহিনীয়ে আন্দোলনকাৰীৰ ওপৰত চলোৱা অত্যাচাৰৰ কাৰণে কাৰোবাৰ মনত তেনে বিক্ষোভ জাগি উঠাটো স্বাভাৱিক। তেনেকুৱা বিক্ষোভৰ পৰিণতিত তেনে কিছুমান ঘটনা ঘটিব পাৰে, তাৰ অৰ্থ এইটো নহয় যে ছাত্ৰ সন্থাৰ সমৰ্থনত সেই ঘটনাবোৰ ঘটিছিল।

*৮) ১৯৮৩ চনৰ বিক্ষিপ্ত হিংসাত্মক ঘটনাৱলীৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ চৰকাৰে 'তেৱাৰী কমিছন' গঠন কৰি দিছিল। ১৯৮৫ চনত আপোনালোকে চৰকাৰ গঠন কৰিলে। ১৯৮৪ চনতেই 'তেৱাৰী কমিছনে' নিজৰ ৰিপৰ্ট জমা দিছিল। আপোনালোকে সেই ৰিপৰ্ট প্ৰকাশ নকৰাৰ বিশেষ কিবা কাৰণ আছিল নেকি?*

ঃ তেনে কোনো বিশেষ কাৰণ নাই। সেই সময়ত বিধান সভাত তেৱাৰী কমিছনৰ ৰিপৰ্ট কোনোবাই কোনোবাই বিচাৰিছিল আৰু আমি দিছিলোঁ। আৰু এই ৰিপৰ্ট অনুসৰি বিভিন্ন জনগোষ্ঠী-সকলক স্বায়ত্ত শাসন বা অধিক ক্ষমতা দিয়াৰ পৰামৰ্শ আগবঢ়াইছিল আৰু আমি সেই অনুযায়ী ব্যৱস্থাও লৈছিলোঁ। আৰু তেওঁলোকে বিভিন্ন কাৰণত এইটো ক'ব বিচাৰে যে অসমৰ খিলঞ্জীয়া জনসাধাৰণ সংখ্যালঘুলৈ পৰিণত হোৱাৰ ভয়ত বা সম্ভাৱনাত এনে ঘটনা সংঘটিত হোৱাটো নুই কৰিব নোৱাৰি, দাবীকৈ তেওঁলোকে কোৱা নাই। আৰু এই কথাটো practically সঁচা যে আজি বিধান সভাৰ সমষ্টিসমূহৰ পুনৰ গঠনৰ যি প্ৰক্ৰিয়া আৰম্ভ হৈছে, সেই প্ৰক্ৰিয়া চৰকাৰে নিৰ্বাচনী আয়োগৰ জৰিয়তে জনসাধাৰণৰ বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি কৰিব খুজিছে, অথচ জনসংখ্যা ৰোধ কৰাটো একেখন চৰকাৰৰেই নীতি। গতিকে কেন্দ্ৰীয় চৰকাৰে এইদৰে পৰস্পৰবিৰোধী নীতি গ্ৰহণ কৰি থকাৰ কাৰণে জনসাধাৰণৰ মনত বিক্ষোভৰ সৃষ্টি হোৱাটো স্বাভাৱিক।

*৯) কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ মতে নেলীৰ ঘটনাত একেদিনাই ৩০০০ লোকৰ মৃত্যু হৈছিল। পৃথিৱীৰ ইতিহাসত হয়তো নেলীয়েই একমাত্ৰ ঘটনা যাক লৈ কোনো হিৰো হ'ব নিবিচাৰিলে, কোনো ভিলেইন হ'ব নিবিচাৰিলে। অসমীয়াই ইয়াক পাহৰিব বিচাৰিলে। কিন্তু আপুনি নাভাবেনে নেলীৰ ঘটনাই সংখ্যালঘু মুচলমানসকলক সতৰ্ক আৰু সংগঠিত হ'বলৈ বাধ্য কৰিছিল আৰু পৰৱৰ্তী সময়ত ইয়েই এক*





OKDISCD

*ৰাজনৈতিক শক্তি হৈ পৰিছিল?*

ঃ মই সেইটো স্বীকাৰ কৰি নলওঁ। Minority Politics নেলীৰ ঘটনাৰ পিছত আগৰেপৰাই শক্তিশালী আছিল। অসমীয়া মানুহে এই ঘটনা এই বাবেই পাহৰিব বিচাৰে কাৰণ অসমীয়া মানুহ দৰাচলতেই শান্তিপ্ৰিয়। আমাৰ ইয়াৰ মন্দিৰটো ৰক্ষা কৰিবলৈও হিন্দু-মুছলমানৰ উমৈহতীয়া সহায় লাগিব, আমাৰ ইয়াৰ মচজিদটো ৰক্ষা কৰিবলৈও উভয়ৰে সহায় লাগিব। উত্তৰ প্ৰদেশ, হাৰিয়ানা বা বিহাৰৰ ৰাজনীতিৰে ইয়াক বিচাৰ কৰি চাব নোৱাৰি। আমাৰ কাৰণে দুৰ্ভাগ্যজনক এই যে কেন্দ্ৰই এই কথা বুজি নাপায়। কেন্দ্ৰৰ আগৰেপৰা এটা নীতি আছিল যে অসমৰ দৰে ৰাজ্যবোৰত যিকোনো প্ৰকাৰে মাইনৰিটিৰ অৰ্থাৎ ইচলাম ধৰ্মৰ লোকসকলৰ মনটো জয় কৰি থাকিব লাগিব। তেওঁলোকৰ বিশ্বাস মাইনৰিটিখিনিক ভোট বেংক হিচাপে ৰাখিব পাৰিলে তেওঁলোক সদায় Powerত থাকিব। কংগ্ৰেছৰ সভাপতি দেৱকান্ত বৰুৱাইতো তাহানিতেই কৈছিল — 'এটা জেপত যেতিয়ালৈকে আলি থাকিব, এটা জেপত কুলী থাকিব তেতিয়ালৈকে কংগ্ৰেছ পাৱাৰত থাকিব'। তেতিয়াৰপৰাই কংগ্ৰেছে এই ৰাজনীতি চলাই আহিছে।

*১০) অসম চুক্তিৰ পিছত আপোনালোকক প্ৰথমে অভিনন্দন জনাইছিল দিল্লী বিশ্ববিদ্যালয়ত ছাত্ৰ সন্থাৰ সভাপতি বিজয়েন্দ্ৰ আৰু এ বি ভি পিৰ কেন্দ্ৰীয় সভাপতি ড° অ পি কহলিয়ে। হিন্দুত্ববাদীসকলৰ প্ৰভাৱ আন্দোলনটোত থকাৰ কথাটো সঁচা নেকি?*

ঃ তেনেকুৱা কথা নহয় কাৰণ আমি সকলো ৰাজনৈতিক দলৰ সমৰ্থন বিচাৰিছিলোঁ বিভিন্ন অৰগেনাইজেচনৰ উপৰিও। গতিকে প্ৰথম অৱস্থাত কংগ্ৰেছো আছিল কিন্তু পিছলৈ তেওঁলোক ক্ৰমান্বয়ে আঁতৰি গুচি গ'ল। আৰু তেওঁলোক সম্পূৰ্ণ বিচ্ছেদ হৈ গ'ল ৮৩ ৰ ইলেকচনত পাৰ্টিচিপেট কৰি পেলাই। তেতিয়া এই ৰাজনৈতিক দলবিলাক আমাৰ লগত আছিল। মানে অসম আন্দোলনৰ লগত আছিল সম্পূৰ্ণভাৱে। আৰু অসম আন্দোলনটোক বাহিৰত কংগ্ৰেছে যি ভুৱা প্ৰচাৰ চলাইছিল, সেইটো নাইকিয়া কৰিবৰ কাৰণে এই ৰাজনৈতিক দলবিলাকে ৰবীন্দ্ৰনাথ বৰ্মা জনতা দলত আছিলে, বাজপেয়ী, জচৱন্ত সিন্হা আদিয়ে ইয়াত পুলিচে লাথি চাৰ্জ চলাওঁতে প্ৰথম অৱস্থাত খবৰ লৈছিল — মানে তেওঁলোকৰ এটা সমৰ্থন আছিল, আন্দোলনটোৰ প্ৰতি কিন্তু সেইটোৱে এইটো নুবুজাই যে.......।

*১১) জনজাতীয়সকলক আপোনালোকে যথোচিত মৰ্যাদা দিয়া নাছিল নেকি — ছাত্ৰ সন্থাৰ মজিয়াত বা অসম গণ পৰিষদ চৰকাৰত? আপোনালোকৰ দিনত বিভিন্ন জনজাতীয় আন্দোলন গঢ় লৈ উঠাৰ কাৰণ কি?*

ঃ নহয়, সেইটো অকল ছাত্ৰ সন্থাৰ কথা নহয়। জনজাতীয় P. T. C.য়ে আন্দোলন কৰিছিল কংগ্ৰেছৰ দিনতেই। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়তো তেওঁলোকে এটা Role প্লে কৰিছিল Role প্লে কৰাৰ মূল কাৰণটো আছিল তেওঁলোকে সুৰক্ষিত অনুভৱ কৰিব পৰা নাছিল, কাৰণ অনুপ্ৰৱেশকাৰীয়ে সেই সময়ত যথেষ্ট tribal বা নানান এৰিয়াৰ মাটি-বাৰী দখল কৰিছিল। গতিকে তেওঁলোকৰ এটা আক্ষেপ আছিল আৰু সেই আক্ষেপটো এতিয়াও আছে। সেইটো আছিল মূল কাৰণ। আমি চৰকাৰ কৰোঁতেও বিনয় চন্দ্ৰ বসুমতাৰী, চৰণ নাৰ্জাৰী এইবোৰ আমাৰ হাউছৰ মেম্বাৰ আছিলে তেতিয়া P. T. C. ৰ সুকীয়া অস্তিত্ব বজাই ৰাখিবলৈ চেষ্টা কৰিছিল। আৰু আমি তেওঁলোকৰ লগত কথা-বতৰা পাতি সমিল-মিলেৰে চলিবলৈ চেষ্টা কৰিছিলোঁ, গতিকে সদৌ অসম ছাত্ৰ সন্থাৰ জনগোষ্ঠীয়নেতাসকল আমাৰ লগত আছিল আৰু আমি সকলো চেষ্টা কৰিছিলোঁ — সামগ্ৰিকভাৱে অসমৰ উন্নতিৰ কাৰণে। পাৰ্থক্যটো আহে ৮৫ চনৰ পাছত। কাৰণ ৮৫ চনত যেতিয়া — ৰাজীৱ গান্ধীৰ বিৰুদ্ধে বৰ্ফচ কেচটো আহিল তেতিয়া আমাৰ এম পি হাউছত যিহেতু বেছি আছিলে, গতিকে আমাৰ সমৰ্থন তেওঁলোকে বিচাৰিছিলে। কিন্তু আমি সমৰ্থন যেতিয়া দিব নোৱাৰিম বুলি ক'লোঁ, তেতিয়া তেওঁলোকে আমাৰ বিৰোধিতা কৰিবলৈ ধৰিলে আৰু লগতে Central agency কিছুমানেও আমাক বিপৰ্যস্ত কৰিবৰ কাৰণে চেষ্টা আৰম্ভ কৰিলে বিভেদকামী চেতনা বিয়পায়।

*১২) জয়ন্ত ৰংপিয়ে কৈছিল আপোনালোকৰ লগত থকাৰ সময়তেই তেওঁ ছয়বাৰ জেল খাইছিল বুলি; উপেন ব্ৰহ্মইও সেইদৰে....*

ঃ বিভিন্ন কাৰণত হয়তো ছবাৰ খাটিবলগীয়া হৈছে, মোৰ সঠিক মনত নাই। আগতে আমি একেলগে আন্দোলন কৰিছিলোঁ। তেওঁলোকৰ সৈতে চৰকাৰ গঠনো কৰিছিলোঁ। কিন্তু কিবা যদি আন্দোলনৰ নামত আইন ভংগ কৰিছিল; ছবাৰ নহয় বহুতবাৰ arrest হ'ব। আমি নিজেও বহুত বাৰ জেল খাটিছিলোঁ। সেইটো দৰকৰী কথা নহয়। দৰকাৰী কথা এইটো যে আমি যেতিয়া অসম গণ পৰিষদ চৰকাৰ গঠন কৰিছিলোঁ সকলো জনগোষ্ঠীৰ সমান উন্নয়নৰ বাবে গুৰুত্ব দিছিলোঁ। এতিয়া মিচিংসকলৰ যিটো ভাষা, তেতিয়াই আমি মানি লৈছিলোঁ। কিন্তু পিছত তেওঁলোকে আলোচনা কৰি অসমীয়া ভাষা নিজেই গ্ৰহণ কৰিছিল। বড়োসকলে আমি চৰকাৰ গঠন কৰাৰ আগতেই দেৱনাগৰী লিপি লৈছিল, তাৰ বিৰোধিতা আমি কৰা নাছিলোঁ। কিন্তু Seprate stateৰ দাবী যেতিয়া আহে তেতিয়া কিছু Step ল'ব লগা হয়।

*১৩) বহুতো বুদ্ধিজীৱীয়ে কয় যে সদৌ অসম ছাত্ৰ সন্থাৰ গোড়ামিৰ বাবেই বিভিন্ন জনগোষ্ঠীয় ছাত্ৰ সংগঠনসমূহৰ সৃষ্টি হ'ল, বিচ্ছিনতাবাদী চেতনাৰ জন্ম লৈ....*

ঃ সেইটোতো সম্পূৰ্ণ অসত্য কথা। সদৌ অসম ছাত্ৰ সন্থাৰ গোড়ামি নথকাকৈয়েদেখোন মেঘালয় সৃষ্টি হ'ল, সেইদৰে বাকী ৰাজ্যসমূহৰ সৃষ্টি হ'ল। নিজকে Intellectual বুলি ভাবি ভাল পোৱা আমাৰ কিছুলোকৰ এইক্ষেত্ৰত ভুল ধাৰণা আছে। কিন্তু ভাষা গোষ্ঠীৰ পাৰ্থক্য পাহৰি পুৰণা বৰ-অসমখনৰ প্ৰত্যাশা সদৌ অসম ছাত্ৰ সন্থাই আজিও কৰে।

*১৪) এইখিনিতে সোধোঁ অসমত বুদ্ধিজীৱী নাই বুলি আপুনি এবাৰ মন্তব্য কৰিছিল। সমুজ্জ্বল ভট্টাচাৰ্যইও মাজতে একে কথাই কৈছে। দুজনকৈ জননেতাই এনে মন্তব্য দিব পৰাৰ*



*বাবে প্ৰয়োজন হোৱা ধাৰণাৰ উৎস কি?*

ঃ বুদ্ধিজীৱী নোহোৱা নহয়। কিন্তু বেলেগ বেলেগ ৰাজ্যলৈ যদি চোৱা যায় — ধৰা, চুবুৰীয়া বংগদেশলৈকে —আনন্দবাজাৰ গ্ৰুপটো Pro-Congress কিন্তু বংগৰ সমস্যাৰ ক্ষেত্ৰত তেওঁলোক CPMএ একেলগে আলোচনা কৰে। যিটো আমাৰ ইয়াত অভাৱ। ইয়াত যি সকলে গুৰি ধৰিব পাৰে তেওঁলোকে আগবাঢ়ি নাহে আৰু যি সকল আগবাঢ়ি আহে তেওঁলোকে গুৰি নধৰে, ধৰিব নোৱাৰে। এই যে অসমখনেই ভাগ ভাগ হৈ গ'ল তাৰ বাবে Politicianখিনি বাৰু দায়ীয়েই। intellectual খিনিৰ সেইবুলি একো দায়িত্ব নাছিল নে?

*১৫) চৰকাৰ গঠন কৰি উঠি আপুনি মুখামুখি হোৱা প্ৰধান সমস্যা কি আছিল? আপোনালোকে ১৯৯১ চনত পুনৰবাৰ চৰকাৰ গঠন কৰিব নোৱাৰাৰ কাৰণ কি?*

ঃ প্ৰধান সমস্যা আছিল জমা-খৰচৰ হিচাপত শূন্য ভঁৰাল লৈ আমি আগবাঢ়িব লগা হৈছিল। আমি প্ৰতিটো কথাতে কেন্দ্ৰৰ সৈতে যুঁজিব লগা হৈছিল। কেন্দ্ৰ তেতিয়া আমাৰ সমৰ্থনত নাছিল। গতিকে তেওঁলোকে কয় 'তোমালোকে আমাক সহায় কৰা আমিও তোমালোকক সহায় কৰিম'। কেন্দ্ৰ আৰু ৰাজ্যৰ যিটো সম্পৰ্ক দৰাচলতে maintain হ'ব লাগে সেয়া হোৱা নাছিল। সেইটোৱেই আছিল আমাৰ প্ৰধান বাধা। অসম চুক্তি কংগ্ৰেছে স্বাক্ষৰ কৰিছিল কিন্তু ৰূপায়নৰ ক্ষেত্ৰত সদায় পিছুৱাই আছিল। আৰু অসমৰ জনসাধাৰণে বহুত বিচাৰিছিল আমাৰপৰা কাৰণ এটা আন্দোলনৰ মাজেৰে এই চৰকাৰ হৈছিল। আমি কৈছিলোঁ — সোণৰ অসম আমি গঢ়িম। কিন্তু তাকে কৰিবলৈ যাওঁতে বহুতো সমস্যাৰ মুখামুখি হ'বলগা হৈছিল। কেন্দ্ৰই আমাক সন্দেহ কৰিছিল উগ্ৰপন্থী সমস্যাৰ প্ৰতি আমি কোমল মনোভাব পোষণ কৰাৰ বাবে। যাৰ বাবে ৰাষ্ট্ৰপতি শাসনো দিছিল। সেই সময়ত আনকি আমিও Assam Accord Implement কৰাতকৈও এইবোৰ সমস্যা কিদৰে সমাধান কৰিম তাত অধিক গুৰুত্ব দিবলগীয়া হৈছিল। আনহাতে অসমৰ যিটো জনগাঁথনি সেয়া আনতকৈ বেলেগ। এই পাৰ্থক্যৰ বাবে আমি ৰাজ্যবিলাকক অধিক ক্ষমতা দিয়াৰ দাবী কৰিছিলোঁ। আমি দাবী কৰিছিলোঁ চাৰিটা বিভাগ কেন্দ্ৰৰ হাতত ৰাখি বাকীবোৰ ৰাজ্যৰ অধীনত দিবলৈ। বহুতবাৰ আলোচনা হৈছিল কিন্তু নহ'লগৈ, আৰু অসমৰ মানুহেও এই কথাটো বুজিবলৈ চেষ্টাও কৰা নাই। গতিকে প্ৰতিটো ক্ষেত্ৰতে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈ আহিছে। আনহাতে কেন্দ্ৰৰ ওচৰৰ ৰাজ্যসমূহে যিমান সুবিধা পাই আমি নাপাওঁ। Zone wise Headquarter থকা ৰাজ্যসমূহে অধিক সুবিধা পায়। অসম বা North-Eastৰ ৰাজ্যসমূহে এই সুবিধা নাপায়। সেই কাৰণে North-Eastৰ Stateবোৰক লৈ এখন বেলেগ Design কৰাৰ দাবী আমি কৰি আহিছোঁ। আন এটা কথা হ'ল, আমাৰ ৰাইজে লগে লগে Result বিচাৰে। যিটো আমি দিব পৰা নাই। কাৰণ প্ৰথম পাঁচ বছৰৰ পৰিকল্পনাৰ সফল ৰূপায়নৰ বাবে আৰু পাঁচ বছৰ লাগে; যিটো আমি পোৱা নাই। আনহাতে Insurgency Problem টো Regional Political Party পুনৰবাৰ Power লৈ নহাৰ আন এটা কাৰণ। কাৰণ চৰকাৰ চলাবলৈ হ'লে সেই সমস্যাক Tackle কৰিবই লাগিব। National Political Party-এ কেতিয়াও নিবিচাৰে Regional Party Power লৈ আহক।

*১৬) অসমত সৃষ্টি হোৱা উগ্ৰপন্থী সমস্যাৰ আপুনি কোনো যুক্তিসংগত কাৰণ বিচাৰি নাপায়নে?*

ঃ যুক্তিসংগত কাৰণ আজিৰ অসমত থাকিব নোৱাৰে। Unemploymentৰ হাৰ যি ধৰণেৰে বাঢ়ি গৈছে সি এটা



কাৰণ কিন্তু যুক্তি হ'ব নোৱাৰে।

*১৭) আপুনি নাভাবেনে কেন্দ্ৰীয় অৰ্থ সাহায্য সীমিত হ'লেও তাৰ জৰিয়তেও যি উন্নয়নৰ সম্ভাৱনা আছিল সেয়াও অসমত হৈ উঠা নাই....*

ঃ Proper Utilization হোৱা নাই হয়তো কিছু কিছু ক্ষেত্ৰত, কিন্তু সৰহ সংখ্যক ক্ষেত্ৰতেই হয়। প্ৰথমতে আছিল 70% Loan আৰু 30% Grant। আমি কেন্দ্ৰক বাধ্য কৰাইছিলোঁ 70% Grant আৰু 30% Loan হিচাপে দিবলৈ। ১৯৯১ চনত যেতিয়া ই Implement হ'ল, ইয়াৰ সুবিধা লাভ কৰিলে কংগ্ৰেছ চৰকাৰে। তদুপৰি ১৯৯৬ চনলৈকে কংগ্ৰেছ চৰকাৰে বেংকৰপৰা ধাৰ লৈ বহুতো টকাৰ ঋণৰ বোজা এৰি থৈ গ'ল, যাৰ ভাৰ বহন কৰিবলগীয়া হ'ল ১৯৯৬ চনত আমি পুনৰবাৰ চৰকাৰ গঠন কৰি। আনহাতে Planning ৰ পইচাৰ ব্যৱহাৰ নিৰ্ভৰ কৰে অফিচাৰ আৰু কৰ্মচাৰীৰ দক্ষতাৰ ওপৰত। এইক্ষেত্ৰত বহুত অভিযোগ পোৱা যায় আৰু সেই অনুযায়ী তদন্তও কৰা হয়। কিন্তু যি নহ'ল আৰুতো নহ'লেই।

*১৮) আপোনাৰ মুখ্যমন্ত্ৰীৰ কালছোৱাতেই দুৰ্নীতি সৰ্বগ্ৰাসী*

*ৰূপ লৈছিল বুলি অভিযোগ উঠে?*

ঃ ১৯৮৫ ৰ পিছত নহয়। দুৰ্নীতি বাঢ়িছিল ১৯৮৫ চনৰ আগতেই। ১৯৮৫ চনৰ পৰা দুৰ্নীতি বেছি হোৱা বুলি মই মানি ল'ব নোখোজোঁ। কোনেও যে নাই কৰা সেইটো নহয়। কিন্তু পৰিস্থিতি বেয়া হৈছিল তাৰ বহু আগতেই। দ্বিতীয়বাৰ শাসনলৈ আহিও আমি ইয়াক ৰোধ কৰিবলৈ চাইছিলোঁ আৰু সফলো হৈছিলোঁ। কিন্তু দুৰ্নীতিয়ে এতিয়া কিদৰে ছানি ধৰিছে চাওক?

*১৯) বিছ বছৰত এখন পৃথিৱী নতুনকৈ নিৰ্মাণ হয়। অসম চুক্তিৰ আজি বিছ বছৰ হৈ গ'ল। তাৰে দহ বছৰ কাল আপোনাৰ নেতৃত্বত অসম গণ পৰিষদে চৰকাৰ চলাইছিল, যি দল অসম চুক্তিক আধাৰ কৰিয়েই ক্ষমতালৈ আহিছিল। অসম চুক্তি কিমান দূৰ কাৰ্যকৰী কৰিব পাৰিছে বুলি ভাবে?*

ঃ অসম চুক্তিৰ কিছু Implement হৈছে। ধৰক Border Road, Border Fancing আৰু Economic Development ৰ কাম হৈছে। কিন্তু যি ধৰণেৰে হ'ব লাগিছিল বিদেশী বিতাৰণৰ কাম সেয়া হৈ উঠা নাই কেন্দ্ৰৰ গৃহ দপ্তৰৰ বাবে। গৃহ দপ্তৰৰ উপযুক্ত সঁহাৰিৰ অবিহনে এই কাম সম্ভৱ নহয় আৰু এই ক্ষেত্ৰত সঁহাৰি আমি পোৱা নাই। দ্বিতীয় কাৰণটো Insurgency ৰ সমস্যাটো। ই সকলোকে Divert কৰি ৰাখিলে। আজি দিনটোত ক'ত কিমান বোমা ফুটিল, কিমান মানুহ মৰিল সেইটোহে media ৰ Head-line হৈ পৰিল। গতিকে মূল issue টো তল পৰিল। অসমৰপৰা কেইজন বিদেশী ওলাই গ'ল, কেইজন সোমাল সেই বিষয় লৈ কোনো Concern নহয় আজি। গতিকে মূল বিষয় বা সমস্যাটো বাধাগ্ৰস্ত হৈ পৰিল। আনহাতে যদি Legaly চোৱা যায় যে এজন বিদেশী অসমত সোমাল তেওঁক Deport কৰাৰ যিটো System Identification ৰ পাছত, যদি ট্ৰিবিউনেলে তেওঁক বিদেশী বুলি কয় তেওঁ উচ্চ ন্যায়ালয়ত আবেদন কৰিব পাৰে, তাৰ পিছত উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰে। আৰু তেওঁক যদি Fromally Deport কৰিবলৈ ওলোৱা যায় তেনেহ'লে ভাৰত চৰকাৰে বাংলাদেশ চৰকাৰৰ সৈতে কথা পাতিব লাগিব আৰু বাংলাদেশ চৰকাৰে তেওঁক গ্ৰহণ কৰিব লাগিব, যিটো বাংলাদেশ চৰকাৰে নকৰে। গতিকে বহুক্ষেত্ৰত বেলেগ পদ্ধতিৰে পঠিয়াব লগীয়া হয়, যিটো চৰকাৰে Disclose কৰিব নোৱাৰে। এনে বহুতো সমস্যাৰ বাবে সম্পূৰ্ণ সফলতা পাব পৰা হোৱা নাই।

*২০) আপোনাৰ শাসনকালৰ অন্ধকাৰময় দিশটো হ'ল গুপ্তহত্যাৰ ঘটনা। মুখ্যমন্ত্ৰী হিচাপে ইয়াৰ ৰাজনৈতিক দায়িত্ব স্বীকাৰ কৰিবনে?*

ঃ কোনো চৰকাৰে গুপ্তহত্যাৰ পোষকতা নকৰে। কিন্তু অসমত বহুতো মানুহে নিজৰ পৰিয়ালৰ মানুহ হেৰুৱালে। যিসকলে নিজৰ পৰিয়ালৰ মানুহ হেৰুৱাইছে সেইসকলৰ বেদনাটো সেইসকল মানুহেও উপলব্ধি কৰাটো উচিত যিসকলে Secret killing ত নিজৰ মানুহ হেৰুৱালে। তেওঁলোকে নিজৰটো বুজিছে ঠিকেই, কিন্তু বাকীসকলৰ বেদনাটো বুজিছেনে নাই? Insurgency group ৰ হাতত বহু হাজাৰ মানুহ মৰিল! আৰু কেন্দ্ৰৰ policy হৈছে তেওঁলোকে কেতিয়াও ভাৰতবৰ্ষৰ কোনো অংশ ভাৰতবৰ্ষৰপৰা আঁতৰি যোৱাটো নিবিচাৰে। গুপ্তহত্যাৰ নামত আমাৰ চৰকাৰক যি দোষ দি আছে সেয়া সত্য নহয়।

*২১) আপুনি কিন্তু এবাৰ কৈছিল গুপ্তহত্যা সম্পৰ্কত আপুনি মুখ খুলিলে বহুতৰ মুখা খোল খাই যাব?*

ঃ নাই, সেইটো মই কোৱা নাই। মই কৈছিলোঁ যে কোনো চৰকাৰে গুপ্তহত্যাৰ পোষকতা নকৰে। কিন্তু বিভিন্ন ঘটনা সেই সময়ত ঘটিছিল। হিতেশ্বৰ শইকীয়াৰ দিনতো ঘটিছিল। কোনোবাই কাৰোবাৰ পৰিয়াল মাৰিছে, সেই পৰিয়ালৰ মানুহে আকৌ ওলোটাই মাৰিছে — এনেবোৰ ঘটনা বিভিন্ন চৰকাৰৰ দিনত ঘটিছে। এইটো আইনৰ কাম আৰু আমাৰ দিনত আমি সকলো কেছ ৰেজিষ্টাৰ কৰিবলৈ দিছিলোঁ, কিন্তু কংগ্ৰেছৰ দিনত এনেবোৰ কেছ ৰেজিষ্টাৰ কৰিবলৈকে দিয়া নাছিল। ১৯৯৮ চনৰ পৰা আমাৰ দিনত সংঘটিত প্ৰতিটো ঘটনাৰেই কেছ ৰেজিষ্টাৰ কৰিবলৈ দিয়া হৈছিল, নিয়মমতে এনক'ৰাৰি কৰিবলৈ দিয়া হৈছিল। তাৰপিছত ২০০০ চনত তৰুণ গগৈ চৰকাৰ হ'ল। আজি তৰুণ গগৈ চৰকাৰৰ ছয় বছৰ চলি আছে। কোনেও কিন্তু তৰুণ গগৈ চৰকাৰৰ Policyৰ বিৰুদ্ধে ক'ব পাৰ নাই — অথচ তৰুণ গগৈ চৰকাৰৰ প্ৰথম পাঁচ বছৰত এইক্ষেত্ৰত একো আগ নাবাঢ়িল। জিতেন শৰ্মাই Report দিলে তেওঁলোকে গ্ৰহণ কৰা নাই; মীৰা শৰ্মা কমিছন পাতিলে, এতিয়া শইকীয়া কমিছন চলি আছে.....বাকী এনক'ৰাৰি কি চলি আছে? এইটো কংগ্ৰেছৰ এটা 'ছাল', আৰু বিভিন্ন গ্ৰুপৰ লগ লাগি এইটোক এটা পলিটিকেল শ্লোগান কৰি তুলিছে।

*২২) ছয় বছৰ ছাত্ৰ সন্থাৰ সভাপতি, ১০ বছৰ অসমৰ মুখ্যমন্ত্ৰী। কোনজনৰ কাম কৰি আপুনি বেছি ভাল পাইছিল?*

ঃ Student life টো আছিল duty without responsibilityৰ। কিন্তু চৰকাৰ গঠন কৰাৰ পিছত both duty and responsibility থাকিবই লাগিব। এনে অৱস্থাত কিছুমান কৰিব পৰা যায় legally, কিন্তু কিছুমান কাম কৰিব নোৱাৰি। ইয়াত limitation থাকে। Student lifeত বহুত কাম কৰিব পাৰি পঢ়া-শুনাৰপৰা ৰাজহুৱা স্বাৰ্থত মাত মতালৈকে স্বতঃস্ফূৰ্তভাৱে।

*২৩) শেষ প্ৰশ্ন — এয়া আপোনাৰ সৈতে মোৰ তৃতীয় সাক্ষাত। প্ৰথমবাৰ লগ পাইছিলোঁ আপোনাৰ বিয়াৰ দিনা। মোৰ মনত আছে। অসমৰ বিভিন্ন ঠাইৰ ৰাইজে লাৰু-পিঠা বনাই পঠিয়াইছিল আৰু তাৰে আপুনি আপোনাৰ বিয়াৰ অভ্যৰ্থনা কৰিছিল। আজি আপুনি ব্লেককেটৰ আৱেষ্টনীৰ মাজত। ছাত্ৰ অৱস্থাত ৰাইজৰ মাজত থাকি আজি ৰাইজৰপৰা আঁতৰি অহাৰ কথাটো আপুনি অনুভৱ নকৰেনে?*

ঃ মাজে মাজে অনুভৱ হয়। সেই Student life টোতো আৰু ঘূৰি নাপাওঁ। এতিয়াৰ চিটুৱেচনটো ময়ো বিচৰা নাছিলোঁ। ব্লেককেটৰ আৱেষ্টনীৰপৰা আঁতৰি থাকিব পাৰিলে মই নিজেও সুখী হ'লোঁহেঁতেন, যিটো এতিয়া সম্ভৱ হৈ থকা নাই। আৰু সেই কাৰণে কেতিয়াবা নিজৰো দুখ লাগে। এটা সময় আছিল; যিটো



সময়ত মোৰ ল'ৰাটো বা ছোৱালীজনীক মই ছমাহ স্কুললৈ পঠিয়াব পৰা নাছিলোঁ। কাৰণ সেই সময়ত অসমৰ পৰিস্থিতি এনেকুৱা আছিল যে প্ৰত্যেকেই আহি ক'ব আপোনাৰ ল'ৰা-ছোৱালীক স্কুললৈ নপঠিয়াব। ছমাহ স্কুললৈ নপঠোৱাকৈ ঘৰত ৰখাৰ পিছত মই মোৰ ল'ৰা-ছোৱালীক বাহিৰলৈ পঠিয়াবলৈ বাধ্য হৈছিলোঁ।

গতিকে তেনেকুৱা কিছুমান কথা থাকে যিবিলাকে আমাৰ জীৱনটো সীমাবদ্ধতাৰ মাজলৈ লৈ আহিল। মোৰ ৰাজনৈতিক জীৱনত Party Works ৰ বাবে বিভিন্নজনক মই পইচা দিবলৈ কৈছোঁ, কিন্তু কাৰোবাৰ কাম কৰি দিয়াৰ বা চাকৰি দিয়াৰ বাবে মই পইচা লৈছোঁ বুলি কোনেও ক'ব নোৱাৰিব। কিন্তু এনেকুৱা এটা ধাৰণা দি দিয়া হয় যে প্ৰফুল্ল মহন্তই পইচা নহ'লে কাম নকৰে। এনে কথাবোৰে মোৰ ব্যক্তিগত জীৱন আৰু সামাজিক জীৱন দুয়োটাকে ক্ষতিগ্ৰস্ত কৰিলে। সেইবিলাকৰ বাবে মাজে মাজে দুখো আছে, কিন্তু উপায় নাই। By Compulsion আমি ৰাজনীতিত যোগ দিছিলোঁ। আৰু ৰাজনীতিত যোগ দিয়েই যথেষ্ট বাধাৰ মুখামুখি হৈছিলোঁ। ১৯৮৫ চনত চৰকাৰ গঠন কৰাৰ ছমাহ পিছতেই আমাৰ চৰকাৰ ভংগৰ বাবে ষড়যন্ত্ৰ হৈছিল। গতিকে চৰকাৰ ৰখাৰ চেষ্টাও কৰিব লগা হ'ল। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যপালক লৈ, বিভিন্ন জনগোষ্ঠীৰ মাজত বিভেদকামী ব্যক্তিক সুমুৱাই আমাক দুৰ্বল কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। গতিকে মই ক'ব খোজোঁ ৰাজ্য আৰু কেন্দ্ৰৰ মাজত ক্ষমতাৰ বিভাজনটো স্পষ্ট নোহোৱালৈকে ৰাজ্য চৰকাৰে Suffer কৰি থাকিব লাগিব।

প্ৰচ্ছদ কথা

# আলোচনা ঃ অসম আন্দোলনৰ অন্যতম দিশ

**নিৰু হাজৰিকা**



মানৱ সমাজৰ সমস্যা সমাধানত অতীজৰেপৰাই আলোচনা প্ৰক্ৰিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে, বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰত আলোচনা এক শক্তিশালী মাধ্যম ৰূপে পৰিলক্ষিত হোৱা দেখা যায়। কিয়নো আলোচনাই সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰি তোলে, প্ৰভাৱগোষ্ঠীসমূহে এনে ধৰণৰ আলোচনাৰ জৰিয়তে চৰকাৰৰ নীতিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা সকলোৰে দৃষ্টিগোচৰ হৈছে। আলোচনা এক গণতান্ত্ৰিক মাধ্যম। অসমত ছাত্ৰ সন্থাই গঢ়ি তোলা ছবছৰীয়া আন্দোলনতো এই প্ৰক্ৰিয়াই অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়।

অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ আৰু নেপালৰপৰা অসংৰক্ষিত সীমায়েদি অহা লক্ষাধিক বিদেশী অসমত প্ৰৱেশ কৰি অসমবাসীৰ ভাষা-ধৰ্ম-বৰ্ণ-সংস্কৃতি আৰু ভূমিৰ সংকটৰ যি সৃষ্টি কৰিছে সেই কথা আঙুলিয়াই সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত ১৯৭৯ চনৰ ৮ জুন তাৰিখে 'অসম বন্ধ' কাৰ্যসূচীৰে অসমৰপৰা বিদেশী বহিষ্কাৰ কৰাৰ দাবীত অসম আন্দোলনৰ পাতনি মেলে।

ছাত্ৰ সন্থাৰ দাবীত অকুণ্ঠ সমৰ্থন আগবঢ়াই জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে অসমবাসীসকলে নিজৰ শক্তি অনুযায়ী অসম আন্দোলনৰ অংশীদাৰ হৈ পৰিল। আন্দোলনৰ নেতৃবৃন্দৰ হাত শক্তিশালী কৰাৰ উদ্দেশ্যে আগত ৰাখি ১৯৭৯ চনৰ ২৭ আগষ্টত অসমৰ সচেতন নাগৰিকসকলে সংঘবদ্ধ হৈ আন্দোলনত এক বলিষ্ঠ পদক্ষেপ আগবঢ়ায়।

মহাত্মা গান্ধীৰ আদৰ্শৰে আন্দোলনৰ নেতাদ্বয় আদৰ্শান্বিত হৈ আন্দোলনৰ প্ৰতি পৰ্যায়তে শান্তি আৰু অহিংস নীতিৰ আধাৰত কাৰ্যসূচী গঢ়ি তোলাত যত্নপৰ



OKDISCD